**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-02-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। বিজেপিয়ে দিল্লীত প্ৰায় তিনি দশকৰ পাছত ক্ষমতা দখল কৰাটো নিশ্চিত হৈছে।

২। আম আদমী পাৰ্টীৰ নেতা, দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পৰাজয় বৰণ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে লাভ কৰা জনাদেশৰ বাবে দিল্লীৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰিছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰালয়ে নৌ সেনাৰ অত্যাধুনিক ১১ খন উপকূলীয় পহৰা জাহাজ আৰু তিনিখন প্ৰশিক্ষণ জাহাজৰ বাবে ২৮টা প্ৰণালী ক্ৰয় কৰিবলৈ ভাৰত ইলেকট্ৰনিক্স লিমিটেডৰ সৈতে চুক্তিত স্বাক্ষৰ কৰে।

***আৰু***

৫। উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ এথলেটিকছ্ আৰু জিমনাষ্টিক শিতানৰ খেলসমূহ আজিৰে পৰা অনুষ্ঠিত হৈছে।

oooooooo

বিজেপিয়ে দিল্লীত প্ৰায় তিনি দশকৰ পাছত ক্ষমতা দখল কৰাটো নিশ্চিত হৈছে। আজি অনুষ্ঠিত দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি দলটোৱে সংখ্যাগৰিষ্ঠতা অৰ্জন কৰাৰ বিপৰীতে শাসনাধিষ্ঠিত আম আদমী পাৰ্টীয়ে পৰাজয় বৰণ কৰিছে। ৭০ জনীয়া দিল্লী বিধানসভাৰ এতিয়ালৈকে ফলাফল ঘোষিত ৬৬ আসনৰ ভিতৰত বিজেপিয়ে ৪৫ খনত জয়লাভ কৰিছে আৰু ৩ খনত আগবাঢ়ি আছে। ইয়াৰ বিপৰীতে আম আদমী পাৰ্টীয়ে ২১ খনত জয়লাভ কৰিছে আৰু -এখনত আগবাঢ়ি আছে। কংগ্ৰেছ দলে কোনো আসন লাভ কৰা নাই। বিজেপিৰ পৰা জয়লাভ কৰা উল্লেখযোগ্য নেতাসকলৰ ভিতৰত আছে নতুন দিল্লীত পৰবেশ ছাহিব সিং, জুনপুৰাৰ তৰবিন্দৰ সিং মাৰোৱা, কাৰৱাল নগৰৰ পৰা কপিল মিশ্ৰ, ৰজৌৰি গাৰ্ডেনৰ পৰা মনজিন্দৰ সিং চিৰছা, গান্ধীনগৰৰ পৰা অৰবিন্দৰ সিং লাভলী, গ্ৰেটাৰ কৈলাশৰ পৰা শিখা ৰয় আৰু মটি নগৰৰ পৰা হাৰিষ খুৰানা। আম আদমী পাৰ্টীৰ পৰা জয়ী হোৱা নেতাসকলৰ ভিতৰত আছে কালকাজি সমষ্টিৰ পৰা মুখ্যমন্ত্ৰী আতিছি, সদৰবাজাৰত সোম দত্ত, বাবৰপুৰত গোপাল ৰায়, দিল্লী চাউনীৰ পৰা বিৰেন্দৰ সিং কাৰিয়ান, কন্দলী আসনখনৰ পৰা কুলদীপ কুমাৰ, তিলক নগৰৰ পৰা জাৰ্নেল সিং, বল্লীমাৰানৰ পৰা ইমৰাণ হুছেইন আৰু ছুলতানপুৰ মাজৰা সমষ্টিৰ পৰা মুকেশ কুমাৰ আহ্লাৱাট। উল্লেযোগ্য যে আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ

কেজৰিৱাল, দলৰ নেতা মনিষ চিছোডিয়া, সৌৰভ ভৰদ্বাজম আৰু কংগ্ৰেছ সন্দীপ দিক্ষীতে পৰাজয় বৰণ কৰিছে। ইফালে উত্তৰ প্ৰদেশৰ মিল্কিপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ চন্দ্ৰভানু পাচোৱানে জয়লাভ কৰিছে। তামিলনাডুৰ ইৰোড পূব বিধানসভা সমষ্টিৰ নিৰ্বাচনৰ ভোটগণনা চলি আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে লাভ কৰা জনাদেশৰ বাবে দিল্লীৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে দলটোৱে দিল্লীৰ বিকাশ, জনসাধাৰণৰ জীৱনৰ সামগ্ৰিক মানৰ উন্নয়ন আৰু উন্নত ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত দিল্লীৰ মুখ্য ভূমিকা সুনিশ্চিত কৰাত চেষ্টাৰ অকনো ত্ৰুটি নকৰে। দিল্লী বিধানসভা নিৰ্বাচনত দলৰ জয় নিশ্চিত কৰাৰ বাবে চলোৱা প্ৰচেষ্টাৰ বাবে দলীয় কৰ্মীসকলক ভূয়সী প্ৰশংসা কৰি শ্ৰী মোদীয়ে কয়, যে উৎকৃষ্ট ফলাফল লাভ কৰাৰ বাবে কঠোৰ পৰিশ্ৰম কৰা প্ৰতিগৰাকী কৰ্মীক লৈ তেওঁ গৌৰৱান্বিত। বিজেপি অধিক দৃঢ়তাৰে কাম কৰিব আৰু দিল্লীৰ জনসাধাৰণৰ সেৱা কৰিব বুলি তেওঁ মন্তব্য কৰে।

ভুৱা প্ৰতিশ্ৰুতিৰে যে জনসাধাৰণক বিপথে পৰিচালিত কৰিব পৰা নাযায় দিল্লীবাসীয়ে সেয়া প্ৰতিপন্ন কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে। দিল্লী বিধানসভা নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে জনসাধাৰণে আৱৰ্জনাময় যমুনা, অপৰিষ্কাৰ খোৱাপানী, ভগা বাট-পথ, অপৰিষ্কাৰ নলা আৰু প্ৰতিটো চুবুৰীত মদৰ দোকানৰ বিৰুদ্ধে জনাদেশ দিছে। তেওঁ লগতে দিল্লীত বিজেপিয়ে লাভ কৰা ব্যাপক জয়ৰ বাবে দলীয় কৰ্মীসকলক অভিনন্দন জনাইছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিৰ জয়ক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ প্ৰতি জনাসাধাৰণৰ আস্থা বুলি অভিহিত কৰিছে। জনসাধাৰণে প্ৰধানমন্ত্ৰীৰ বিশ্বাসযোগ্যতা আৰু সুশাসনৰ ৰাজনীতিৰ প্ৰতি আস্থা প্ৰকাশ কৰা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰিছে। একেদৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই এই ঐতিহাসিক জনাদেশক দিল্লীৰ উজ্জ্বল ভৱিষ্যতৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ ভৱিষ্যদৰ্শী দৃষ্টিভংগীৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস আখ্যা দিছে।

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেত্ৰী আতিছিয়ে তেওঁৰ হকে জনাদেশ দিয়াৰ বাবে কালকাজি বিধানসভা সমষ্টিৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত নেতৃগৰাকীয়ে কয়, যে তেওঁলোকৰ দলে জনসাধাৰণৰ জনাদেশ মানি লৈছে। তেওঁ লগতে নিৰ্বাচনৰ সময়ত চলোৱা প্ৰচাৰ অভিযানৰ বাবে দলীয় কৰ্মীসকলক ধন্যবাদ জনায়। জংপুৰা সমষ্টিৰ পৰা নিৰ্বাচনী যুজত অৱতীৰ্ণ হোৱা আম আদমী পাৰ্টীৰ নেতা মনীষ ছিচোডিয়াহও পৰাজয় স্বীকাৰ কৰিছে।

দিল্লী বিধানসভা নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে দিল্লীৰ জনসাধাৰণে পৰিৱৰ্তনৰ হকে ভোটদান কৰা বুলি প্ৰকাশ কৰিছে। কংগ্ৰেছে ফলাফলৰ বিষয়ে আত্মমন্থন কৰিব বুলি কংগ্ৰেছ নেতৃগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে আজি নৌ সেনাৰ বাবে নতুন প্ৰজন্মৰ ১১ খন উপকূলীয় পহৰা জাহাজ আৰু তিনিখন প্ৰশিক্ষণ জাহাজৰ বাবে EON-51 শ্ৰেণীৰ ২৮টা প্ৰণালী ক্ৰয়ৰ বাবে ভাৰত ইলেকট্ৰনিক্স লিমিটেডৰ সৈতে এখন চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ বাবদ ৬৪২ কোটি টকা ব্যয় হ'ব। EON-51 একপ্ৰকাৰৰ বিদ্যুৎ আলোকীয় অগ্নি

নিয়ন্ত্ৰণ প্ৰণালী আৰু ইয়াৰ মাধ্যমেৰে বিদ্যুৎ আলোকীয় আৰু থাৰ্মেল ইমেজ সঁজুলিৰ সহায়ত লক্ষ্য বস্তুৰ সন্ধান, চিনাক্তকৰণ আৰু শ্ৰেণীবিভাজন কৰিব পৰা যায়। এই পদক্ষেপে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিত সহায় কৰিব আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগকে ধৰি থলুৱা উদ্যোগসমূহৰ সক্ৰিয় অংশগ্ৰহণত উদ্‌গনি যোগাব। প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতাৰ লক্ষ্যত উপনীত হোৱাৰ  চৰকাৰে চলোৱা প্ৰচেষ্টাতো ই অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনি-দিনীয়া ভ্ৰমণসূচীৰে পৰহিলৈ ফ্ৰান্সলৈ ৰাওনা হ'ব। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে পেৰিচত হ'বলগীয়া কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰ সৈতে সহ-অধ্যক্ষতা কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব বিক্ৰম মিশ্ৰীয়ে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ কথা জানিবলৈ দি কালি কয় যে শ্ৰীমোদীয়ে অহা ১২ আৰু ১৩ ফেব্ৰুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে এই ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ কথা। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দেশ দুখনৰ পাৰস্পৰিক সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি ভাৰত-ফ্ৰান্স বাণিজ্য আৰু উদ্যোগ মহাসংঘৰ অধ্যক্ষ কৌমাৰ আনন্দএ প্ৰকাশ কৰিছে। তেওঁ প্ৰধানমন্ত্ৰী মোদী আৰু ফ্ৰান্সৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে আস্থা আৰু বিশ্বাসৰ সম্পৰ্ক বিনিময় কৰে বুলিও মন্তব্য কৰে। শ্ৰী মোদীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত ব্যৱসায়-বাণিজ্য অধিক সুচল কৰিব বুলিও তেওঁ মতপ্ৰকাশ কৰে। ভাৰত আৰু ফ্ৰান্স উভয়ৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি তেওঁ কয়, যে দুয়োখন দেশে ইয়াৰ সহায়ত প্ৰযুক্তিগত দিশত বিস্তৰ অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হ'ব।

০০০০০০০

**পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ১০ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। নতুন ৰূপত হ'বলগীয়া এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ ভিন্ন বৃত্তিৰ সৈতে জড়িত  বিশিষ্ট ব্যক্তিসকলে শিক্ষাৰ্থীসকলৰ সৈতে অভিজ্ঞতা বিনিময় কৰিব। এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ইউ টিউব চেনেল আৰু তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। চলিত বৰ্ষত এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে প্ৰায় ৩ কোটি শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে নাম পঞ্জীয়ন কৰিছে। ইয়াৰ ভিতৰত ৩৬ গৰাকী শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ কথা পাতিব পাৰিব। এই অনুষ্ঠানত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীয়ে সন্মুখীন হোৱা মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত আলোকপাত কৰা হয়। এই অনুষ্ঠানৰ বাবে অনলাইন পঞ্জীয়ন কৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ ভিতৰত ৬ৰ পৰা ১২ গৰাকীক বাচনি কৰা হয়।

০০০০০০০

গাজাত যোৱা মাহত সম্পাদিত যুদ্ধ বিৰতি চুক্তিৰ অংশ হিচাপে হামাছে তিনিগৰাকী ইজৰাইলী পনবন্দীক মুকলি কৰি দিয়াৰ পাছত ইজৰাইলেও কেইবাগৰাকীও পেলেষ্টাইনী কয়দীক মোকলাই দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আন্তঃৰাষ্ট্ৰীয় মধ্যস্থতাকাৰীৰ প্ৰচেষ্টাত হোৱা এই চুক্তি অনুযায়ী কয়দী আৰু পনবন্দীসকলক মোকলাই দিয়া হৈছে।

০০০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ এথলেটিকছ্ আৰু জিমনাষ্টিক শিতানৰ খেলসমূহ আজিৰে পৰা অনুষ্ঠিত হৈছে।

ডেৰাডুনত আজি ১০ হাজাৰ মিটাৰ দৌৰত ৰোমাঞ্চকৰ প্ৰতিদ্বন্দ্বিতা হয়। পুৰুষৰ শিতানত হিমাচল প্ৰদেশৰ ছাৱন বৰোৱালে সোণৰ পদক লাভ কৰে। মহাৰাষ্ট্ৰৰ কিৰন মহাট্ৰেই ৰূপৰ আৰু মধ্যপ্ৰদেশৰ বিনোদ সিঙে ব্ৰঞ্জৰ পদক হস্তগত কৰে। মহিলাৰ শিতানত মহাৰাষ্ট্ৰৰ সঞ্জীৱনী যাধৱে সোণৰ পদক অৰ্জন কৰে। এই শিতানত উত্তৰাখণ্ডৰ এথলিটে ৰূপৰ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে। অসমৰ অম্লান বৰগোহাইয়ে পুৰুষৰ এশ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

ইপিনে, টাইকোৱাণ্ডোৰ গ্ৰুপ পমচি শিতানত অসমৰ মৰ্ণিতা আচাৰ্য, বেনলা কাম্প্ৰাই আৰু পঞ্চমী দাসৰ দলটোৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। অসমৰ নয়নমণি শইকীয়া আৰু বনগীতা হাজৰিকাৰ যুটীটোৱে লন বলৰ মহিলাৰ ডাবলছ্‌ত স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

প্ৰতিযোগিতাত সেনা বাহিনীৰ দল ছাৰ্ভিচেছ্ ৩৯টা সোণৰ পদকেৰে পদক তালিকাৰ প্ৰথম স্থানত আছে। কৰ্ণাটক ৩০টা সোণৰ পদকেৰে দ্বিতীয় স্থান আছে। এইবাৰৰ ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে তিনিটা সোণৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

সমাপ্ত